# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

ooooo

বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ঐতিহাসিক পদক্ষেপ হিচাপে বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে। শীতকালীন অধিবেশনৰ প্ৰথম দিনা উত্থাপন কৰা এই বিধেয়কৰ জৰিয়তে আইনীভাৱে প্ৰথম বিবাহ ভংগ নকৰাকৈ দ্বিতীয় বিবাহ কৰা কাৰ্যক অপৰাধৰ শ্ৰেণীভুক্ত কৰিব খোজা হৈছে। বিধেয়কখনত পূৰ্বৰ বিবাহৰ কথা গোপনে ৰাখি দ্বিতীয় বিবাহ কৰা ব্যক্তিক ১০ বছৰ আৰু প্ৰথম বিবাহ ভংগ নকৰাকৈ দ্বিতীয় বিবাহ কৰা ব্যক্তিক ৭ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনৰ অধীনত বাৰে বাৰে এনে অপৰাধ কৰাসকলক দুগুণ শাস্তি বিহাৰ ব্যৱস্থা আছে। বহুবিবাহত লিপ্ত হোৱা পুৰোহিত, মৌলানা, যাজক আদিক ডেৰ লাখ টকা পৰ্যন্ত জৰিমনা বিহা হ'ব আৰু কৰ্তৃপক্ষৰ পৰা ইচ্ছাকৃতভাৱে তথ্য লুকোৱা বা পলমকৈ তথ্য প্ৰদান কৰা লোকসকলক দুবছৰ কাৰাদণ্ড আৰু এক লাখ টকাৰ জৰিমনা বিহা হ'ব। অৱশ্যে বিধেয়কখন ৰাজ্যৰ ষষ্ঠ অনুসূচীৰ অধীনৰ এলেকা আৰু জনজাতীয় লোকসকলৰ মাজত প্ৰযোজ্য নহ'ব। বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাত মুঠ ৩১ জন বিধায়কে অংশগ্ৰহণ কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি আই এম আৰু ৰাইজৰ দলে বিধেয়কখনত ভালেমান সংশোধনৰ আৰু বাছনি সমিতিলৈ প্ৰেৰণ কৰিবলৈ দাবী জনায়। বিভিন্ন বিষয়ত মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পাছত কংগ্ৰেছ আৰু ৰাইজৰ দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰে। অৱশ্যে এ আই ইউ ডি এফ আৰু চি পি আই এম দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পাছত বিধেয়কখন আইনত পৰিণত হ'ব।

আজিৰ বিধানসভাত আনকেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বৰ্ষৰ অসম বিনিয়োজন বিধেয়ক উত্থাপন কৰে। তদুপৰি বিদ্যালয় শিক্ষা বিভাগৰ লগত সম্পৰ্কিত ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰি সন্দৰ্ভতো আলোচনা আৰু ভোটদান হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীৰ (সংশোধনী) বিধেয়ক ২০২৫ আৰু অসম অগ্নি আৰু জৰুৰীকালীন সেৱা বিধেয়ক ২০২৫ৰ বিবেচনাৰ বাবে প্ৰস্তাৱ দিয়ে। মন্ত্ৰী কেশৱ মহন্তই অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক ২০২৫ বিবেচনাৰ বাবে প্ৰস্তাৱ দিয়ে।

ooooo

ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ প্ৰক্ৰিয়াৰ কাম অব্যাহত আছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ইতিমধ্যে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিছে। ২০ ডিচেম্বৰলৈকে ভোটাৰৰ তথ্য সংগ্ৰহ

কৰা হ'ব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব।

চৰাইদেউ জিলাৰ সোণাৰী আৰু মাহমৰা বিধানসভা সমষ্টিত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া সুচাৰুৰূপে চলাই নিয়াৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ভোটাৰ তালিকাৰ আঁসোৱাহ দূৰীকৰণৰ বাবে ভোটদাতাৰ নাম, ঠিকনাকে ধৰি অন্যান্য তথ্যসমূহ তন্ন-তন্নকৈ পৰীক্ষা কৰিছে। জিলাখনত ২৭ ডিচেম্বৰত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হ'ব। এই সন্দৰ্ভত চৰাইদেউ জিলা নিৰ্বাচনী বিষয়া বৰ্ণালী খাটিৰাৱাই আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়।

**বাইট (বৰ্ণালী খাটিৰাৱা)**

০০০০০

কাছাৰৰ পাঁচগ্ৰামত মিথানল উৎপাদনক্ষম বাঁহ উদ্যোগ স্থাপন কৰা হ'ব বুলি উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি বিধানসভাত প্ৰকাশ কৰে। তেওঁ কয় যে কেষ্ট্ৰ' পেট্ৰ'কেমিকেলে বাঁহৰ পৰা মিথানল উৎপাদনৰ এই উদ্যোগ স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ইয়াৰ ফলত ৰাজ্যখনৰ বাঁহ অৰ্থনীতি পুনৰ ঠন ধৰি উঠিব আৰু কাগজ কল বন্ধ হোৱাৰ পাছত সংকটৰ সন্মুখীন হোৱা পাঁচগ্ৰামত পূৰ্বৰ দৰে ঔদ্যোগিক বাতাবৰণ গঢ়ি উঠিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সৰ্বভাৰতীয় কুঁহিয়াৰ গৱেষণা প্ৰকল্পৰ বাৰ্ষিক কৰ্মশালা অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কুঁহিয়াৰ, ঔষধী আৰু সুগন্ধী উদ্ভিদ গৱেষণা কেন্দ্ৰৰ তত্বাৱধানত আয়োজিত এই কৰ্মশালাত দেশৰ বিভিন্ন প্ৰান্তৰ দুই শতাধিক কৃষি বিজ্ঞানী আৰু প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। আজিৰ কাৰ্যসূচীত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উপ-সঞ্চালকপ্ৰধান ড০ ডি কে যাদৱে মুখ্য অতিথি হিচাপে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। ড০ যাদৱে ক্ষেত্ৰ বিশেষে কৃষকৰ অসুবিধাসমূহৰ প্ৰতি লক্ষ্য সঠিক পৰিকল্পনা আৰু কৌশলগত পদ্ধতি প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ সৰ্বভাৰতীয় কুঁহিয়াৰ প্ৰকল্পৰ সমন্বয়ক ড০ দিনেশ সিঙে নতুন কৃষি প্ৰযুক্তিৰ ব্যৱহাৰেৰে কুঁহিয়াৰ খেতিৰ উৎপাদন বৃদ্ধিৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০০

**সমাপ্ত**